**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::: ::::::: :::::::: ::::::::***

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টি ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰিৰ উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। নগাঁও জিলাৰ চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই ২২ হাজাৰতকৈ অধিক ভোটত জয়লাভ কৰে।

বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে ৩৫ হাজাৰতকৈ অধিক ভোটত জয়লাভ কৰে। একেদৰে, চিদলী সমষ্টিত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ইউ পি পি এলৰ নিৰ্মল কুমাৰ ব্ৰহ্মই ৩৭ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে।

বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱালে ৯ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসে জয়লাভ কৰিছে।

উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে আটাইকেইখন আসনতে জয়লাভ কৰাৰ পিছত বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই ভোটদাতা ৰাইজক ধন্যবাদ জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপৰ বাবে সমষ্টিকেইটাৰ ভোটদাতাসকলে শাসকীয় দলটোৰ পক্ষত জনমত দিছে বুলি বিজেপি সভাপতিগৰাকীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলীয় কৰ্মীসকলৰ লগতে ভোটদাতাসকললৈ ধন্যবাদ জ্ঞাপন কৰিছে। চামগুৰি সমষ্টিত ২৫ বছৰৰ অন্তত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰাটোৱে বিজেপি চৰকাৰৰ কল্যাণকামী মনোভাৱাপন্ন কাৰ্যপ্ৰণালীৰ প্ৰতি ৰাইজৰ সমৰ্থন আৰু বিৰোধীৰ বিভাজনকামী ৰাজনীতিক প্ৰত্যাখ্যান কৰা বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান আজিৰেপৰা দুদিনীয়াকৈ গুৱাহাটীত অনুষ্ঠিত হৈছে। আজি পুৱা চানমাৰি শিক্ষক ভৱন চৌহদত সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী নীলাক্ষী গগৈয়ে পতাকা উত্তোলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছত স্মৃতি তৰ্পন, মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বাটৰ নাট পৰিবেশন আদি কাৰ্যসূচী লোৱা হয়। ইয়াৰ লগতে মহাৰজত জয়ন্তীৰ সৈতে সংগতি ৰাখি প্ৰতিষ্ঠা কৰা বোপাৰাম বৰগোঁহাঞি সোঁৱৰণি পুথিভঁৰালতোৱো উদ্বোধন কৰা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণৰ কাৰ্যসূচী হিচাপে আজি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ বৰ্তমানৰ আৰু প্ৰাক্তন বিষয়ববীয়া তথা বৰ্তমানৰ আৰু কেইবাগৰাকীয়ো প্ৰাক্তন শিক্ষামন্ত্ৰীৰ মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। কাইলৈৰ সামৰণিৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থকাৰ কথা।

০০০০০০

জিলা প্ৰশাসন আৰু জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত ধুবুৰীত আজি ই-ৰিক্সা চালকসকলৰ মাজত নিচাজাতীয় দ্ৰব্য সেৱনৰ নেতিবাচক প্ৰভাৱ সন্দৰ্ভত সজাগতামূলক ৰেলী অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীৰ লগতে অতিৰিক্ত আৰক্ষী অধীক্ষক, সমাজ কল্যাণ বিভাগৰ কৰ্মচাৰীসকল, ই-ৰিক্সা চালক সমিতিৰ সভাপতিসহ ৩০ গৰাকী ই-ৰিক্সা চালকে বৈঠকত অংশ লয়। বৈঠকৰ আৰম্ভণিতে সমাজ কল্যাণ বিভাগৰ দ্বাৰা নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে শপতগ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰা অনুসৰি এইবছৰ জিলাখনত নিচাযুক্ত সামগ্ৰী সেৱনকাৰী লোকৰ সংখ্যা হ্ৰাস পাইছে। সজাগতামূলক বৈঠকখনত নিচাযুক্ত দ্ৰব্যৰ ফলত হ'বপৰা বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ লগতে সমাজক পৰিব পৰা নেতিবাচক প্ৰভাৱৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। ই-ৰিক্সা চালকে নিচাযুক্ত দ্ৰব্য সেৱন কৰি ধৰা পৰিলে আইনগতভাৱে শাস্তি প্ৰদান কৰা হ'ব বুলি জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে বৈঠকত উল্লেখ কৰে।

০০০০০০

মৰিগাঁও নেহেৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু জিলাখনৰ প্ৰশাসনৰ সহযোগত আজি ঘনকান্ত বৰুৱা মহাবিদ্যালয়ত জিলা যুৱ উৎসৱৰ আয়োজন কৰা হয়। এই উৎসৱত জিলাখনৰ আয়ুক্ত দেৱাশিষ শৰ্মাই অংশ লৈ এই কাৰ্যসূচীৰ আয়োজনৰ বাবে শলাগ লয়। তেওঁ বঁটা বিজয়ী যুৱক-যুৱতীসকলক বঁটা প্ৰদান কৰাৰ লগতে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

দৰং জিলাৰ মঙলদৈত দিনজোৰা কাৰ্যসূচীৰে আজি অসম ডিপ্লমা অভিযন্তা সেৱা সন্থাৰ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত সন্থাৰ ৩শতাধিক সদস্যই অংশগ্ৰহণ কৰে। সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতাই মুখ্য অতিথি হিচাপে অংশ লৈ ডিপ্লমা অভিযন্তাসকলে সন্মুখীন হৈ অহা সমস্যাসমূহ সম্পৰ্কত মতামত ব্যক্ত কৰে।

০০০০০০০

ভাৰতে আজি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ দ্বিতীয় দিনৰ খেলৰ সামৰণিৰ পৰলৈকে দ্বিতীয় ইনিংছত এটাও উইকেট নেহেৰুৱাকৈ ১৭২ ৰান

সংগ্ৰহ কৰে। দিনান্তত যশস্বী জয়ছোৱালে ৯০ আৰু কে এল ৰাহুলে ৬২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰত অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ২১৮ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি ৭ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি ১০৪ ৰানত বাকী তিনিটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৫টা, হৰ্ষিত ৰানাই তিনিটা আৰু মহম্মদ চিৰাজে দুটা উইকেট দখল কৰে।

০০০০০০০

চিৰাং জিলাৰ বিজনী উলুবাৰী লাৱদাংগুৰি নিবাসী তথা বি টি চি থুৰীবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সদস্য মহেনেশ্বৰ ৰায় আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬২বছৰ। ২০১৫ চনৰ বি টি চিৰ নিৰ্বাচনত অবড়ো সুৰক্ষা সমিতিৰ সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে ৰায়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই নিৰ্বাচিত হৈছিল। তেওঁৰ মৃত্যুৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**